জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২৪১/২০২২

মুখ্যমন্ত্ৰী ড° শৰ্মাই ফ্লেগ অফ কৰে 'বিদ্যাৰথ ঃ স্কুল অন্ হুইলছ্'

# 'বিদ্যাৰথে' সহায় কৰিব অৰ্থনৈতিকভাৱে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা শিশুৰ শৈক্ষিক সৰলীকৰণত ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৫ আগষ্ট** ঃ আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাঙ্গনত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰ এম চচায়াই সমাজৰ অৰ্থনৈতিকভাৱে অনগ্ৰসৰ পৰিয়ালৰ শিশুক প্ৰাথমিক শিক্ষা প্ৰদানৰ উদ্দেশ্যে গ্ৰহণ কৰা 'বিদ্যাৰথঃ স্কুল অন হুইলছ' নামৰ প্ৰকল্পটো শুভাৰম্ভ কৰে।

উল্লেখ্য যে এই 'বিদ্যাৰথ' প্ৰকল্পৰ জৰিয়তে অনগ্ৰসৰ শিশুসকলক ১০ মাহৰ কাৰণে প্ৰাথমিক শিক্ষা প্ৰদান কৰা হ'ব। ১০ মাহৰ পিছত এই শিশুসকলক গতানুগতিক শিক্ষা ব্যৱস্থাৰ সৈতে একত্ৰিত কৰা হ'ব। এই প্ৰকল্পৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া মধ্যাহ্ন ভোজন, ইউনিফৰ্ম আৰু পাঠ্যপুথি যোগান ধৰা হ'ব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আমাৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে 'আজাদী কা অমৃত মহোৎসৱ' উদযাপন অনুষ্ঠানৰ মহান উদ্দেশ্য আগত ৰাখি শুভাৰম্ভ কৰা এই প্ৰকল্পটো এক মহৎ অনুষ্ঠান হিচাপে পৰিগণিত হৈছে। আনুষ্ঠানিক শিক্ষাৰ বাহিৰত বৈ যোৱা শিশুসকলক সামৰি লোৱাৰ ক্ষেত্ৰত এই প্ৰকল্পটোৱে সঁচা অৰ্থত সহায়ক হৈ উঠিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ভাষণত তেওঁ অসমত এই প্ৰকল্পটো শুভাৰম্ভ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰ এম চচায়াক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে স্বাধীনতা লাভৰ এই ৭৫ টা বছৰত ভাৰতবৰ্ষই বিভিন্ন ক্ষেত্ৰত গুৰুত্বপূৰ্ণ কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে। বিজ্ঞান আৰু প্ৰযুক্তি, চিকিৎসা বিজ্ঞান, মহাকাশ অভিযান আৰু অন্যান্য ক্ষেত্ৰত দেশে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে আৰ্থ-সামাজিক দিশত পিছপৰি থকা লোকসকলৰ উন্নয়ন অবিহনে কিন্তু সমৃদ্ধিশালী ভাৰতবৰ্ষৰ সপোন কেতিয়াও পূৰণ হ'ব নোৱাৰে। সেইবাবে এই বিদ্যাৰথ প্ৰকল্পটোৰ জৰিয়তে অৰ্থনৈতিকভাৱে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা শিশুসকলক শিক্ষা প্ৰদানৰ দিশত আগুৱাই যোৱাত সহায় কৰাৰ লগতে শৈক্ষিক সৰলীকৰণতো অৰিহণা যোগাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ভাৰতবৰ্ষ বৰ্তমান বিশ্বৰ দ্ৰুত বিকাশমুখী অৰ্থনীতিৰ অন্যতম এখন ৰাষ্ট্ৰ বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আমাৰ শিশুসকল দেশৰ ভৱিষ্যত। যিসময়ত আমাৰ শিশুসকল উজ্জ্বল ভৱিষ্যত নিৰ্মাণৰ বাবে বিদ্যালয়ত অধ্যয়নৰত হৈ থাকিব লাগিছিল, তাৰ পৰিৱৰ্তে কিছু সংখ্যকে পথ, বাছ আস্থান, ৰে'লৰে ষ্টেচনত ভিক্ষাবৃত্তিত জড়িত হৈ থকাৰ উপৰি আন কেতবোৰে জাৱৰ-জোথৰৰ পৰা বটল সংগ্ৰহত নিয়োজিত হোৱাটো অত্যন্ত বেদনাদায়ক বুলি তেওঁ কয়। অৰ্থনৈতিক দুৰৱস্থাৰ বাবেও বহু পৰিয়ালৰ

সন্তানে এতিয়াও আধাতে শিক্ষা সামৰিবলগীয়া হৈছে। তেওঁ লগতে কয় যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে সকলোকে শিক্ষাৰে সামৰি লোৱাৰ বাবে সৰ্বোচ্চ প্ৰচেষ্টা চলাই থকাৰ পিছতো এতিয়াও শিশুসকলৰ এটা অংশ আনুষ্ঠানিক শিক্ষাৰ পৰিসৰৰ বাহিৰত আছে।

তেওঁ বিদ্যাৰথৰ সৈতে জড়িত অসম চৰকাৰ, অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণ, গুৱাহাটী উচ্চ ন্যায়ালয় আইন সেৱা সমিতি, কামৰূপ মহানগৰ জিলাৰ জিলা আইন সেৱা প্ৰাধিকৰণ, অসম ৰাজ্যিক পৰিবহন নিগম, অসম সৰ্বশিক্ষা অভিযান, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণ আৰু বিভিন্ন বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থাই এই মহান উদ্দেশ্য আগত ৰাখি আগবাঢ়ি অহাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। এই প্ৰকল্পটো সফল কৰি তুলিবলৈ ৰাজ্য চৰকাৰে সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি তেওঁ আশ্বাস প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীক কিতাপ পত্ৰ, স্কুল ইউনিফৰ্ম আগবঢ়ায়।

আজিৰ এই অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰ এম চচায়া, অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ কাৰ্যবাহী অধ্যক্ষ ন্যায়াধীশ এন কটেশ্বৰ সিঙেও ভাষণ প্ৰদান কৰে। গুৱাহাটী উচ্চ ন্যায়ালয় আইন সেৱা সমিতিৰ অধ্যক্ষ ন্যায়াধীশ সুমন শ্যাম আৰু বিভিন্ন গণ্য-মান্য লোক অনুষ্ঠানত উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**১৫/০৮/২০২২**